[২০২২] ৬ এছ.চি.আৰ. ১১৫১

দিবাকৰ নুনিয়া আৰু এজন

বনাম

অসম চৰকাৰ

(ফৌজদাৰী আপীল নং ৯৬২ চন ২০১১)

৩০ আগষ্ট, ২০২২

**[ন্যায়াধীশ দিনেশ মহেশ্বৰী আৰু বেলা এম. ত্ৰিবেদি]**

*দণ্ডবিধি, ১৮৬০–ধাৰা ৩০২, ৩৪–যেতিয়া প্ৰত্যক্ষদৰ্শী বিশ্বাসযোগ্য নহয় – ব্যক্তি এজনক নিৰ্মমভাৱে প্ৰহাৰ কৰা হৈছিল, গুৰুত্বপূৰ্ণ অংশত পোৱা একাধিক আঘাত, মৃত্যু – আপীলকাৰীক ধাৰা ৩০২/৩৪ৰ অধীনত দোষী সাব্যস্ত কৰা হৈছে- আপীলত বিচাৰ কৰা হয়: গোচৰত প্ৰাপ্ত তথ্যসমূহ মূলতঃ মৃতকৰ পিতৃ-মাতৃ* (সাক্ষী নং- *২ আৰু* সাক্ষী নং-*৩) যাক প্ৰত্যক্ষদৰ্শী বুলি কোৱা হৈছে তেওঁলোকৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰা হৈছে,– অভিযোগ অনুসৰি, তেওঁলোকে তেওঁলোকৰ পুত্ৰক দুজন ব্যক্তিয়ে অস্ত্ৰৰে আক্ৰমণ কৰা দেখিছিল – সাক্ষী নং-২ য়ে তেওঁৰ পুত্ৰৰ দেহৰ পৰা তেজ ওলাই থকা দেখি অচেতন হৈ পৰিছিল– গতিকে এইটো মানি লোৱাটো টান যে তেওঁলোকে ঘৰলৈ যাব, খাদ্য খাব আৰু আঘাতপ্ৰাপ্ত পুত্ৰৰ শুশ্ৰুষাৰ কথা চিন্তা নকৰাকৈ শুই যাব– স্বাভাৱিক অৱস্থাত এনে আচৰণ অযুক্তিকৰ আৰু অগ্ৰাহ্য হ'ব, যিটো উচ্চ ন্যায়ালয়েও পৰ্যবেক্ষণ কৰিছে – ইয়াৰ লগতে এইটোও সংযুক্ত যে সাক্ষী নং-১ (মৃতকৰ ভাতৃ)মৃতদেহ দেখি ঘৰ পোৱাৰ পিছতহে তেওঁলোকে সাক্ষী নং-১ (মৃতকৰ ভাতৃ)ক এই ঘটনাৰ বৰ্ণনা কৰিছিল আৰু তাৰ পিছদিনা পুৱা ১০ বজাত এজাহাৰ দাখিল কৰা হৈছিল – অৱশ্যে উচ্চ ন্যায়ালয়ে ৰায় দিছিল যে যিহেতু মৃত ব্যক্তিজন আন মানুহৰ সৈতে কেইবাখনো কাজিয়াত জড়িত আছিল আৰু তেখেতৰ পিতৃ-মাতৃ এই বিষয়ে জ্ঞাত আছিল আৰু মৃতকৰ এনে পটভূমিত তেওঁলোকে ঘটনাস্থলীৰ পৰা গুচি অহা আৰু শুবলৈ যোৱাৰ বিষয়েও যি ব্যাখ্যা কৰিছিল – সেয়া গ্ৰহণযোগ্য নহয় – গুচৰীয়া পক্ষৰ গোচৰ নিৰপেক্ষ সাক্ষীয়ে সমৰ্থন কৰা নাছিল – সাক্ষী-২ আৰু সাক্ষী-৩ ৰ সাক্ষ্য গোচৰটোৰ ঘটনাৰ প্ৰত্যক্ষদৰ্শী হিচাপে গ্ৰহণ কৰিব নোৱাৰি– সেয়েহে, এজাহাৰত নাম উল্লেখ কৰিলেও আপীলকাৰীসকলক দোষী সাব্যস্ত কৰিব নোৱাৰি – গুচৰীয়া পক্ষই গোচৰটো যুক্তিসংগত সন্দেহৰ উৰ্ধত প্ৰমাণ কৰিব বুলি আশা কৰা হৈছিল – যুক্তিসংগতভাৱে উদ্ভৱ হোৱা সন্দেহ- 'সাক্ষী নং-২ আৰু সাক্ষী নং-৩'ৰ সাক্ষ্য গ্ৰহণ কৰা বিচাৰ আদালতৰ দৃষ্টিভংগী যে তেওঁলোকে প্ৰকৃত দোষীৰ বাহিৰে আন কাকো জড়িত কৰাৰ কোনো কাৰণ নাছিল, সেয়া অনুমানৰ ওপৰত ভিত্তি কৰি কৰা হৈছে – সাক্ষ্য-প্ৰমাণৰ ওপৰত ভিত্তি কৰি এই সিদ্ধান্তত উপনীত হোৱাটো কঠিন হ'ব যে যুক্তিসংগত সন্দেহৰ উৰ্ধত কেৱল আপীলকাৰীসকলেই আঘাতবোৰ কৰিছিল – উচ্চ ন্যায়ালয় আৰু সত্ৰ আদালতৰ আদেশ বাতিল কৰা হল – আপীলকাৰীসকলক দোষমুক্ত কৰা হৈছে।*

*ফৌজদাৰী আইন – তথ্যৰ সমৱৰ্তী ফলাফল- উচ্চতম ন্যায়ালয়ৰ হস্তক্ষেপ- যেতিয়া উপযুক্ত হয়- বিচাৰ কৰা হয়ঃ- সাধাৰণতে, তথ্যৰ সমৱৰ্তী ফলাফলৰ বিৰুদ্ধে বিশেষ অনুমতিৰ দ্বাৰা কৰা আবেদনত, উচ্চতম ন্যায়ালয়ে সাক্ষ্য পুনৰ বিশ্লেষণ কৰিব নিবিচাৰে- অৱশ্যে, যদি বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ত আইন বা পদ্ধতিৰ কোনো ভুল বা প্ৰমাণৰ ভুলকৈ বিবেচনা বা ন্যায়িক প্ৰক্ৰিয়াৰ নীতি-নিয়মৰ কোনো অৱজ্ঞাৰ ফলত গুৰুতৰ*

*পক্ষপাতিত্ব বা অন্যায়ৰ সৃষ্টি হয়, উচ্চতম ন্যায়ালয়ে ন্যায় প্ৰদানত কৰা ক্ৰুটি ৰোধ কৰিবলৈ নিৰ্দ্দিষ্ট কোনা গোচৰত হস্তক্ষেপ কৰাৰ কথা বিবেচনা কৰিব পাৰে।*

*ফৌজদাৰী আইন – "যুক্তিসংগত সন্দেহ" নো কি- বিচাৰ কৰা হয়: যুক্তিসংগত সন্দেহ কেৱল সম্ভাৱনা থকা সন্দেহ নহয়, বৰঞ্চ কাৰণ আৰু সাধাৰণ বোধৰ ওপৰত ভিত্তি কৰি হোৱা এক যুক্তিসংগত সন্দেহ – ই গোচৰৰ সাক্ষ্যৰ পৰাই উদ্ভৱ হব লাগিব – যেতিয়া এটা বিষয়ত যুক্তিসংগত সন্দেহৰ সৃষ্টি হয়, তেন্তে সেই সন্দেহৰ সুবিধা অভিযুক্তক দিবই লাগিব।*

ভাস্কৰ ৰমাপ্পা মাদাৰ আৰু অন্যান্য বনাম কৰ্ণাটক ৰাজ্য চৰকাৰ

**(২০০৯) ক্ৰিমিনেল ল জাৰ্নেল ২৪২২ (এছ চি) – সহায় লোৱা হৈছে ।**

ফৌজদাৰী আপীল অধিকাৰক্ষেত্ৰ: ফৌজদাৰী আপীল নং ৯৬২/২০১১ ।

গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ৭৯/২০০৬ ত ১৭.০৯.২০০৯ তাৰিখে দিয়া ৰায় আৰু আদেশৰ পৰা উদ্ভৱ হোৱা ।

আপীলকাৰীৰ অধিবক্তা- ৰৱিন্দৰ কুমাৰ শৰ্মা, পাৰুল শৰ্মা, শান্তনু শৰ্মা ।

প্ৰতিপক্ষৰ অধিবক্তা- দেৱজিত বৰকাকতি ।

আদালতৰ ৰায় প্ৰদান কৰে-

**ন্যায়াধীশ দিনেশ মহেশ্বৰীয়ে-**

১) গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ৭৯/২০০৬ খাৰিজ কৰি ১৭.০৯.২০০৯ তাৰিখে প্ৰদান কৰা বিবাদিত ৰায় আৰু আদেশেৰে আপীলকাৰীসকলে ভাৰতীয় দণ্ডবিধিৰ ধাৰা ৩০২/৩৪ ৰ অধীনত অপৰাধৰ কৰাৰ বাবে অসমৰ কাচাৰ জিলাৰ শিলচৰ স্থিত সত্ৰ ন্যায়ালয়ে গোচৰ নং ৩৭/ ২০০৩ ত দোষী সাব্যস্ত কৰি যাৱজ্জীৱন কাৰাদণ্ডৰ আৰু প্ৰচলিত নিয়মৰ সৈতে ১০০০/- টকাকৈ জৰিমনা বিহি দিয়া শাস্তিৰ ৰায় বাহাল ৰাখে (মূল অভিযুক্ত ক্ৰমে ২ আৰু ১ নং) আৰু আপীলকাৰীসকলে গৌহাটী উচ্চ ন্যায়ালযৰ উক্ত বিবাদিত ৰায় আৰু আদেশেত অসন্তুষ্ট হৈ এই আপীল দাখিল কৰিছে।

২) বিষয়টোৰ প্ৰাসংগিক পটভূমিৰ চমু বিবৰণ তলত দিয়া ধৰণৰ-

০১-১০-১৯৯৯ তাৰিখে পুৱা প্ৰায় ১০ বজাত সাক্ষী নং-১ অমৃত তাঁতিয়ে ঘুংগূৰ আৰক্ষী আউটপোষ্টত এজাহাৰ দাখিল কৰি জনায় যে আগদিনা মাজনিশা প্ৰায় ১২:৩০ বজাত তেওঁ সোণাইৰ পৰা নিৰ্বাচনী প্ৰচাৰ শেষ কৰি ঘৰলৈ উভতি আহি থাকোঁতে কংগ্ৰেছ পাৰ্টিৰ নিৰ্বাচনী কাৰ্যালয়ৰ সন্মুখত সাক্ষী নং-৫ ৰ দোকানখনৰ ওচৰত এজন লোকক পৰি থকা দেখা পাইছিল । এজাহাৰকাৰীৰ মতে, বৈদ্যুতিক লাইটৰ পোহৰত মাটিত পৰি থকা লোকজনক তেওঁৰ সৰু ভাই অমৰ তাঁতী বুলি চিনাক্ত কৰিব পাৰিছিল। ঘৰলৈ গৈ তেওঁ পিতৃ-মাতৃৰ পৰা গম পালে যে দুজন অভিযুক্ত দিবাকৰ আৰু বাবুল (আপীলকাৰী)য়ে সন্ধিয়াৰ সময়ত মৃতকক আক্ৰমণ কৰিছিল। সেয়েহে পি ডব্লিউ সাক্ষী নং-১ অমৃত তাঁতীয়ে এখন লিখিত এজাহাৰ দাখিল কৰাত ঘুংগুৰ আৰক্ষী আউটপোষ্টৰ ০১.১০.১৯৯৯ তাৰিখৰ সাধাৰণ পঞ্জীৰ দৰজ নং ৬০৪ পঞ্জীয়ণ কৰা হয় আৰু এজাহাৰখন শিলচৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়ালৈ প্ৰেৰণ কৰা হয়। সেই অনুসৰি শিলচৰ থানাত গোচৰ নং ১৩৬২/১৯৯৯ ধাৰা ৩০২/৩৪ পঞ্জীয়ন কৰা হৈছিল।

২.২. এই গোচৰৰ তদন্ত মূলতঃ সাক্ষী নং-১০ দিপেন পালে কৰিছিল। মৃতদেহটো পৰীক্ষা কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰা হয়। ঘটনাৰ সৈতে জ্ঞাত বিভিন্ন ব্যক্তিৰ জৱানবন্দীও লিপিবদ্ধ কৰা হয়। তদন্তৰ সামৰণিত অভিযুক্ত-আপিলকাৰীৰ বিৰুদ্ধে অভিযোগনামা দাখিল কৰা হয়।

২.৩. অপৰাধৰ প্ৰকৃতিৰ প্ৰতি লক্ষ্য ৰাখি গোচৰটোৰ সত্ৰ ন্যায়াধীশৰ আদালতলৈ প্ৰেৰণ কৰা হৈছিল। ভাৰতীয় দণ্ড বিধিৰ ধাৰা ৩০২/৩৪ অধীনত অপৰাধৰ অভিযোগৰ সম্পৰ্কত আপীলকাৰীসকলে নিজকে নিৰ্দোষী বুলি দাবী কৰি বিচাৰৰ সন্মুখিন হবলৈ সন্মত হয়। বিচাৰৰ কালছোৱাত গুচৰীয়া পক্ষৰ হৈ দহজন সাক্ষীক পৰীক্ষা কৰা হৈছিল। আপীলকাৰীসকলে প্ৰতিৰক্ষাৰ বাবে কোনো সাক্ষীক পৰীক্ষা কৰা নাছিল। কিন্তু আপীলকাৰীসকলৰ বক্তব্যসমূহ ১৯৭৩ চনৰ ফৌজদাৰী কাৰ্য্যবিধিৰ ৩১৩ নং ধাৰাত লিপিবদ্ধ কৰা হৈছিল। বিচাৰৰ সামৰণিত অভিযুক্ত আপীলকাৰীসকলক দোষী সাব্যস্ত কৰি পূৰ্বতে উল্লেখ কৰা ধৰণে শাস্তি প্ৰদান কৰা হৈছিল।

৩) এই গোচৰটো মূলতঃ এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী মৃতকৰ পিতৃ সাক্ষী নং-২ সুখৰাম আৰু মৃতকৰ মাতৃ সাক্ষী নং ৩ মেনকা তাটিৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰশীল আছিল।

৩.১. সাক্ষী নং-২ সুখৰামে উল্লেখ কৰে যে ঘটনা সংঘটিত হোৱাৰ দিনা সন্ধিয়া প্ৰায় ৮ বজাত তেওঁ তেওঁৰ পত্নীৰ সৈতে শিলচৰৰ পৰা ঘৰলৈ উভতি আহিছিল । শিলকুৰী বজাৰত তেওঁৰ পুত্ৰ অমৰৰ কান্দোন শুনি তেওঁ ঘটনা সংঘটিত হোৱা ঠাইৰ ফালে লৰালৰিকৈ গ'ল। পুত্ৰৰ মূৰৰ পৰা তেজ ওলোৱা দেখিলে। তেওঁ অভিযুক্ত বাবুলক নিজৰ পুত্ৰৰ ওপৰত বল প্ৰয়োগ কৰা আৰু আনজন অভিযুক্ত দিবাকৰে তেওঁক দাওৰে আক্ৰমণ কৰা দেখা পায়। পুত্ৰৰ আঘাতৰ পৰা তেজ দেখি এই সাক্ষীজন অচেতন হৈ পৰিছিল আৰু সেই নিশাই চেতনা ঘূৰাই পালে। সাক্ষীজনে উল্লেখ কৰে যে তেওঁ ষ্ট্ৰীট লাইটত অভিযুক্ত দুয়োজনকে চিনাক্ত কৰিব পাৰিছিল। ঘটনা সংঘটিত হোৱা নিশাই তেওঁ পুত্ৰ (সাক্ষী নং-১)ক এই বিষয়ে অৱগত কৰিছিল।

জেৰাৰ সময়ত ২নং সাক্ষীয়ে কয় যে একাংশ লোক ঘটনাস্থলীলৈ আহিছিল যদিও লগে লগে গুচি যায়। তেওঁ পুনৰ কয় যে শিলচৰ চিকিৎসা মহাবিদ্যালয় প্ৰায় ৫ কিলোমিটাৰ দূৰত থাকিলেও তেওঁৰ পুত্ৰ অচেতন হৈ থকাৰ বাবে পুত্ৰক মহাবিদ্যালয়লৈ লৈ যাব পৰা নাছিল।

৩.২. সাক্ষী নং-৩ মেনোকা টাটি হৈছে সাক্ষী নং-২ৰ পত্নী, আৰু মৃতকৰ সতিয়া মাক। ঘটনাৰ সময়ত তেওঁ স্বামীৰ সৈতে শিলচৰ চহৰৰ পৰা ঘৰলৈ আহি আছিল । সন্ধিয়া প্ৰায় ৭/৮ বজাত শিলকুৰী বজাৰত উপস্থিত হোৱাৰ লগে লগে মৃতকে সহায় বিচাৰি কান্দি থকা শুনিলে। তেওঁ আৰু তেওঁৰ স্বামীয়ে ঘটনাস্থলীলৈ গৈ দেখে যে অভিযুক্ত বাবুলে মৃতকৰ হাতত ধৰি আছে আৰু আনজন অভিযুক্ত দিবাকৰে দাওৰে আঘাত কৰিছে। তেওঁৰ স্বামীয়ে বাধা দিবলৈ চেষ্টা কৰিছিল যদিও অভিযুক্তই সেয়া আওকাণ কৰিছিল। তেওঁ লগতে কয় যে প্ৰায় ১৬ ফুট দূৰৰ পৰা এই ঘটনা প্ৰত্যক্ষ কৰিছিল আৰু বিজুলি বাতিৰ পোহৰত অভিযুক্তক স্পষ্টকৈ চিনাক্ত কৰিব পাৰিছিল। তেওঁ উল্লেখ কৰে যে মৃতকৰ তেজ দেখি তেওঁৰ স্বামী অজ্ঞান হৈ পৰে, আৰু তেওঁ তেওঁক ঘৰলৈ লৈ যায়। সেই নিশা প্ৰায় ৩ বজাত তেওঁ ১নং সাক্ষীক এই বিষয়ে জনাইছিল যেতিয়া সাক্ষী নং ১ আৰক্ষীৰ সৈতে ঘৰলৈ উভতি আহিছিল। জেৰাৰ সময়ত এই সাক্ষীয়ে অভিযুক্ত আৰু মৃতকৰ মাজত হোৱা কাজিয়া দেখা বুলি নিশ্চিত কৰে। মৃতকজন সদায় মদ্যপান কৰি প্ৰায়ে আনৰ লগত কাজিয়া কৰা বুলি অভিযুক্ত

পক্ষই দিয়া ব্যক্তব্যক এই সাক্ষীয়ে অস্বীকাৰ কৰে। এই সাক্ষীয়ে ক'লে যে বিজুলি বাতিৰ পোহৰত ঘটনা সংঘটিত হোৱা ঠাইত প্ৰায় ১০০/১৫০ জন মান মানুহ দেখিছিল ।

৪) মৃতকৰ ওপৰত হোৱা আঘাতৰ বিষয়ে মৰণোত্তৰ পৰীক্ষাৰ প্ৰতিবেদনত ডাঃ হোমশ্বৰ শৰ্মাই (সাক্ষী নং-৭) বিতংভাৱে প্ৰকাশ কৰিছে।

“আঘাত:

১. ডিঙিৰ ওপৰৰ অংশত ১১ x ৬ x ৬ চে.মি. দৈৰ্ঘৰ এটা তিৰ্যকভাৱে কটা আঘাত, যিটো ছালৰ পৰা দ্বিতীয় ছাৰ্ভাইকেল মেৰুদণ্ডলৈকে সকলো গঠন কাটি দিয়া হয় আৰু সোঁফালে ৰক্তবাহী নলীৰ সৈতে সম্পূৰ্ণৰূপে কটা যায় (চিত্ৰ চাওক)।

২. ৫ x .৫ x ১ চে.মি. দৈৰ্ঘৰ আৰু বাওঁ টেম্পলৰ ০.৫ চে.মি ওপৰত দুটা সমান্তৰাল কটা আঘাত ।

৩. স্কেপুলাৰ তলৰ কোণত বুকুৰ বাওঁফালৰ ওপৰেৰে ৪ x .৫ x থ'ৰেচিক কেভিটি জোখৰ অৰ্ধচন্দ্ৰ আকৃতিৰ গভীৰ আঘাত।

৪.সোঁ কান্ধৰ আগফালৰ পৃষ্ঠৰ ওপৰত ৪ চে:মি: দীঘল ছাল কাটি যোৱা আঘাত ।

৫. বাওঁফালৰ টেম্প'ৰেল অঞ্চলত ১ চে.মি. দুৰত্বত ৫ x ০.৫ x ১.৫ চে.মি. জোখৰ টেম্প'ৰেল হাড়ৰ বাহিৰৰ টেবুললৈকে কাটি তিৰ্যকভাৱে কটা আঘাত য়ত লেৰিংছটোও কটা য়ায়, যাৰ ফলত ১ নং আঘাতৰ লগত কণ্ঠনলী কাটি পেলোৱা আৰু উন্মুক্ত হৈ থকা দেখা গৈছিল। শৰীৰৰ বাকী অংগবোৰ সুস্থ আৰু শেঁতা আছিল।”

৫) আন ব্যক্তিগত সাক্ষীসকলে গুচৰীয়া পক্ষৰ গোচৰটোক সমৰ্থন কৰা নাছিল। কিন্তু বিচাৰ আদালতে সাক্ষী নং-২ আৰু সাক্ষী নং-৩ৰ বক্তব্যৰ ওপৰত নিৰ্ভৰ কৰি কয় যে-

"২২. সাক্ষী নং-২ আৰু সাক্ষী নং-৩-ৰ সাক্ষ্যৰ পৰা এইটো স্পষ্ট যে মৃতকৰ দেহৰ পৰা প্ৰচণ্ড ৰক্তক্ষৰণ হৈছিল। সাক্ষী নং-২ তেজ দেখি অজ্ঞান হৈ পৰিছিল। কিছুমান মানুহে মানুহৰ কেচা তেজ দেখিলে সহ্য কৰিব নোৱাৰে আৰু অজ্ঞান হৈ পৰে।" ২ নং সাক্ষীৰ লগত এনেকুৱাই হৈছিল, যাৰ বাবে তেওঁক ঘৰলৈ লৈ যোৱা হৈছিল আৰু সেইদিনা শেষনিশা তেওঁ চেতনা ঘূৰাই পাইছিল। ২ নং সাক্ষী আৰু ৩ নং সাক্ষীৰ প্ৰমাণ পৰ্যালোচনা কৰাৰ পিছত তেওঁলোকৰ সাক্ষ্যক লৈ সন্দেহ কৰাৰ কোনো কাৰণ বিচাৰি নাপাওঁ। জেৰাৰ সময়ত তেওঁলোকৰ বক্তব্য প্ৰত্যক্ষদৰ্শীৰ বক্তব্য হিচাপে অভিযুক্ত পক্ষই গ্ৰহণ কৰে। গতিকে এইটো স্পষ্ট যে সাক্ষী নং-২ আৰু সাক্ষী নং-৩ এই ঘটনাৰ প্ৰকৃত প্ৰত্যক্ষদৰ্শী আছিল।

২৩. ২ নং সাক্ষী আৰু ৩ নং সাক্ষীয়ে অভিযুক্তক মিছাকৈ জড়িত কৰিছিল বুলি বিশ্বাস কৰাৰ কোনো কাৰণ নাই। সাক্ষী দুজনৰ অভিযুক্তৰ সৈতে কোনো ধৰণৰ শত্ৰুতাপূৰ্ণ সম্পৰ্ক আছিল বুলি অভিযুক্ত পক্ষই কোনো দাবী উত্থাপন কৰা হোৱা নাই। অভিযুক্তৰ সৈতে তেওঁলোকৰ কোনো পূৰ্বৰ বিবাদ নাছিল। অভিযুক্ত পক্ষই ২ নং সাক্ষী আৰু ৩ নং সাক্ষীয়ে মিছা কোৱা বুলি কোনো ব্যক্তব্য ৰখা নাছিল। মৃতক তেওঁলোকৰ পুত্ৰ যদিও সাক্ষী নং-৩ আছিল মৃতকৰ সতিয়া মাক। তেওঁলোকে প্ৰকৃত দোষীক মুক্ত কৰি নিৰীহ লোকৰ ওপৰত মিছা অভিযোগ উত্থাপন কৰা নাই । এইদৰে সাক্ষী নং-২ আৰু সাক্ষী নং-৩-এ মিছা সাক্ষ্য দিছিল বুলি বিশ্বাস কৰাৰ কোনো কাৰণ নাই। প্ৰকৃত প্ৰত্যক্ষদৰ্শী হিচাপে মৃতকৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ পুত্ৰৰ প্ৰকৃত দোষী আৰু আক্ৰমণকাৰীক চিনাক্ত কৰিছিল।"

২৪. নিশা প্ৰায় ৮ বজাত এই ঘটনা সংঘটিত হোৱাৰ সময়ত বজাৰখনত বহু লোকৰ লগতে দোকানীসকলো উপস্থিত আছিল আৰু তাত বৈদ্যুতিক পোহৰৰ আছিল। ভিৰৰ মাজৰ পৰা কোনোৱেই গুচৰীয়া পক্ষৰ গোচৰটোক সমৰ্থন কৰা নাছিল। অভিযুক্ত পক্ষই স্বীকাৰ কৰে যে অভিযুক্তক চিনাক্ত কৰিব পৰাকৈ যথেষ্ট পোহৰ আছিল। গতিকে সাক্ষী নং-২ আৰু সাক্ষী নং-৩- য়ে অভিযুক্তক স্পষ্টকৈ চিনাক্ত কৰিব পাৰিছিল।

আপীলকাৰীসকলৰ বিৰুদ্ধে বিচাৰ আদালতে বিবেচনা কৰা তথ্যসমূহ হ'ল-

"“৩১. ৩০-০৯-৯৯ তাৰিখে সন্ধিয়া শিলচৰ আৰক্ষী থানাৰ অন্তৰ্গত শিলকুৰী বজাৰত দিবাকৰ আৰু বাবুলে মাৰাত্মক অস্ত্ৰৰে মৃতকক আক্ৰমণ কৰে। মৃতকৰ পিতৃ-মাতৃ ২ নং সাক্ষী আৰু ৩ নং সাক্ষীয়ে ঘটনা প্ৰত্যক্ষ কৰে। ইয়াৰ পিছতে সেই আঘাতৰ ফলত মৃতকৰ মৃত্যু হয়। গুচৰীয়া পক্ষৰ সাক্ষীসকলে অভিযুক্তক স্পষ্টভাৱে চিনাক্ত কৰিছিল। পূৰ্বৰ বিবাদৰ বাবে অভিযুক্তই মৃতকক হত্যা কৰাৰ উদ্দেশ্যেৰে মাৰাত্মক অস্ত্ৰৰে আক্ৰমণ কৰে। এজন অভিযুক্তই মৃতকক ধৰি ৰাখিছিল যাতে তেওঁ পলাব নোৱাৰে, আৰু আনজনে তেওঁক আক্ৰমণ কৰে। অভিযুক্ত পক্ষই ২ নং সাক্ষী আৰু ৩ নং সাক্ষীৰ সাক্ষ্য বিশ্বাসযোগ্য নহয় বুলি প্ৰমাণ কৰিব নোৱাৰিলে। এইটো অভিযুক্তই কৰা এটা স্পষ্ট হত্যাকাণ্ড ।

৩২. ২ নং সাক্ষী আৰু ৩ নং সাক্ষীৰ মতে মৃতক আৰু অভিযুক্তৰ মাজত কাজিয়া হৈছিল। মৃতক নিৰস্ত্ৰ আছিল, আৰু অভিযুক্তসকলৰ হাতত অস্ত্ৰ আছিল। মৃতকে প্ৰথমে আক্ৰমণ কৰা বুলি কোনো প্ৰমাণ পোৱা নাযায়। অভিযুক্তই কোনোধৰণে প্ৰৰোচিত নোহোৱাকৈ নিৰস্ত্ৰ মৃতকক আক্ৰমণ কৰে । এইটো স্পষ্টভাৱে ভাৰতীয় দণ্ড বিধিৰ ৩০২ নং ধাৰাৰ অধীনত শাস্তিযোগ্য হত্যাৰ গোচৰ। অভিযুক্ত পক্ষই ভাৰতীয় দণ্ড বিধিৰ ৩০০ ধাৰাৰ অধীনত কোনো ব্যতিক্ৰম প্ৰমাণ কৰিব নোৱাৰিলে প্ৰতিৰক্ষাই। অভিযুক্তই কোনো অজুহাত দেখুৱাব পৰা নাই । তেওঁলোকে মৃতকজনক হত্যা কৰাৰ উদ্দেশ্যে ৰাজহুৱা পথত মাৰাত্মক অস্ত্ৰৰে আক্ৰমণ কৰিছিল ।"

৭) উচ্চ ন্যায়ালয়ৰ সন্মুখত সাক্ষী নং--২ আৰু সাক্ষী নং--৩ৰ নিৰ্ভৰযোগ্যতাক লৈ গুৰুতৰভাৱে প্ৰশ্ন উত্থাপন কৰা হৈছিল। উচ্চ ন্যায়ালয়ে অৱশ্যে আপীলকাৰীসকলৰ হৈ প্ৰদৰ্শন কৰা যুক্তিসমূহ তলত দিয়া ধৰণে নাকচ কৰে।

"১৬. আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই দাবী কৰা মতে, আৰক্ষীৰ আগত দিয়া জৱানবন্দীত ২ নং সাক্ষীয়ে কৈছিল যে এই ঘটনাৰ পিছত তেওঁ পত্নী (সাক্ষী নং-৩)ৰ সৈতে ঘৰলৈ গৈছিল আৰু খাদ্য খাই শুই পৰিছিল। স্বাভাৱিকতে সাক্ষীদুজনৰ এনে আচৰণ অযুক্তিকৰ আৰু গ্ৰহণযোগ্য নহয়, বিশেষকৈ যেতিয়া সাক্ষী নং- ২ৰ আৰু সাক্ষী নং-৩ৰ পুত্ৰই অভিযুক্ত-আপিলকাৰী দুজনে দাওৰে কৰা আক্ৰমণৰ সন্মুখীন হ'বলগীয়া হৈছিল। অৱশ্যে, বিষয়টোৰ ওপৰোক্ত দিশটো সাক্ষী নম্বৰ-৩-ৰ জেৰাত অভিযুক্ত পক্ষই উত্থাপন কৰা প্ৰশ্নৰ পৰা বুজিব পাৰি যে মৃতক নিচাযুক্ত অৱস্থাত আছিল আৰু তেওঁ আগতে আন লোকৰ সৈতে কেইবাটাও বিবাদত জড়িত আছিল যাৰ ফলত সাক্ষী নং- ২ৰ আৰু সাক্ষী নং-৩ য়ে তেনেকুৱা আচৰণ কৰিছিল। যদি সেইটো হয়, তেন্তে সাক্ষী নম্বৰ-২ আৰু সাক্ষী নম্বৰ-৩য়ে কাজিয়াৰ পিছতো আৰু আনকি আক্ৰমণ কৰা দেখাৰ পিছতো প্ৰস্থান কৰাৰ কাৰণটো সম্পূৰ্ণৰূপে বুজিব পৰা যায়। ইয়াৰ উপৰিও, সাক্ষী নম্বৰ-৩-ৰ সাক্ষ্য অনুসৰি মৃতকৰ গাত তেজ দেখি সাক্ষী নং -২ অচেতন হৈ পৰিছিল, আৰু পিছত তেওঁক ঘৰলৈ লৈ যোৱা হৈছিল আৰু ঘৰত তেওঁ চেতনা ঘূৰাই পাইছিল। সাক্ষী নং -২ আৰু সাক্ষী নং -৩ ঘটনাস্থলীৰ পৰা আঁতৰি যোৱা আৰু

তেওঁলোকে শুবলৈ যোৱাটোও সাক্ষী নং -৩-ৰ ওপৰোক্ত সাক্ষ্যৰ পৰা যুক্তিসংগতভাৱে বুজিব পাৰি। সেয়েহে, এইটো আমাৰ বিবেচনাযোগ্য দৃষ্টিভংগী যে অভিযুক্ত-আবেদনকাৰীসকলৰ হৈ যি দাবী কৰা হৈছে তাৰ স্বত্বেও, ঘটনাৰ আটাইতকৈ গুৰুত্বপূৰ্ণ অংশত সাক্ষী নং -২ আৰু সাক্ষী নং-২ ৰ সাক্ষ্য গ্ৰহণযোগ্য আৰু আমি দুয়োজন চাক্ষুষ সাক্ষীৰ সাক্ষ্যৰ ওপৰত নিৰ্ভৰ কৰি বিচাৰ কৰিবলৈ ইচ্ছুক।

৮) আপীলকাৰীসকলৰ বিদ্বান অধিবক্তাই সবল যুক্তি আগবঢ়াইছে যে এই বিষয়ত সত্ৰ আদালত আৰু উচ্চ ন্যায়ালয়ে কিছুমান অপ্ৰাসংগিক বিষয় বিবেচনা কৰিছে আৰু গোচৰত গুচৰীয়া পক্ষৰ উল্লেখযোগ্য ত্ৰুটিসমূহক আওকাণ কৰিছে। বিদ্বান অধিবক্তাৰ মতে, আপীলকাৰীসকলক দোষী সাব্যস্ত কৰাটো মূলতঃ সাক্ষী নং- ২ৰ আৰু সাক্ষী নং-৩ ৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি কৰা হয় যদিও তেওঁলোকৰ জবানবন্দীয়ে কেৱল গুৰুতৰ বৈপৰীত্যই বহন কৰাই নহয় অন্তৰ্নিহিত অসম্ভৱ পৰিস্থিতিৰ কথাৰো উদ্ভাৱন কৰে; আৰু তেওঁলোকৰ জবানবন্দীসমূহৰ ওপৰত দৃষ্টি নিক্ষেপ কৰিলে, এইটো স্বাভাৱিক আচৰণৰ বিৰুদ্ধ যে কোনো ব্যক্তিয়ে নিজৰ পুত্ৰক দুজন ব্যক্তিৰ দ্বাৰা আঘাত প্ৰাপ্ত হৈ তেজেৰে লুতুৰি-পুতুৰি হোৱা দেখা পাই ঘৰলৈ গুচি যাব আৰু তাৰ পিছত খাদ্য গ্ৰহণ কৰি শুই পৰিব ।

৯) বিদ্বান অধিবক্তাই দাবী কৰিছে যে মৃতকৰ পিতৃ-মাতৃৰ এই অস্বাভাৱিক আচৰণক বিদ্বান সত্ৰ ন্যায়াধীশে সম্পূৰ্ণৰূপে আওকাণ কৰিছে। তদুপৰি, উচ্চ ন্যায়ালয়ে এই অস্বাভাৱিক আচৰণৰ ন্যায্যতা প্ৰদান কৰিছে যে মৃত ব্যক্তিজনে আন লোকৰ সৈতে কাজিয়াত লিপ্ত হৈছিল। বিদ্বান অধিবক্তাই কয় যে মৃতক কাজিয়াত জড়িত বুলি ধৰি ল’লেও তেওঁৰ পিতৃ-মাতৃয়ে তেওঁলোকৰ পুত্ৰক লৈ অলপো চিন্তিত নহ’ব নে যেতিয়া তেওঁলোকৰ পুত্ৰক দুজন ব্যক্তিয়ে আক্ৰমণ কৰিছিল আৰু মূৰৰ বেয়াকৈ আঘাতপ্ৰাপ্ত হৈ তেজ ওলাইছিল ।

১০) বিদ্বান অধিবক্তাই আৰু যুক্তি দিয়ে যে যেতিয়া সাক্ষী নং-২ আৰু সাক্ষী নং-৩ৰ সাক্ষ্য সম্পূৰ্ণ অস্বাভাৱিক ধৰণৰ বুলি বিবেচনাৰ কৰাৰ পৰা বিৰত থকা হয়, তেতিয়া বিষয়টোৰ সত্যটো হব যে কোনো এজন নিৰপেক্ষ সাক্ষীয়ে গুচৰীয়া পক্ষৰ গোচৰ সমৰ্থন কৰা নাই। বিষয়টোৰ এনে দৃষ্টিভংগী ললে আপীলকাৰীসকল দোষমুক্ত হোৱাৰ যোগ্য হব। বিদ্বান অধিবক্তাইও যুক্তি দিছে যে এই ঘটনাটো ৩০.০৯.১৯৯৯ তাৰিখে সন্ধিয়া প্ৰায় ৭-৮ বজাত সংঘটিত হৈছিল। মৃতকৰ ভাতৃ সাক্ষী নং-১ য়ে এজাহাৰ ০১.০৯.১৯৯৯ তাৰিখে পুৱা ১০ বজাতহে দাখিল কৰিছিল। এজাহাৰ দাখিলত কৰা পলম ব্যাখ্যা নকৰাকৈয়ে ৰৈ যায় আৰু এনে এজাহাৰ এই গোচৰত বিশ্বাসত লব পৰা নাযায়।

১১) ৰাজ্যৰ বিদ্বান অধিবক্তাই বিবাদিত ৰায় আৰু আদেশক যথাযথভাৱে সমৰ্থন কৰিছে আৰু দাবী কৰিছে যে যেতিয়া গোটেই পৰিস্থিতিক বিবেচনা কৰা হয়, তেতিয়া সাক্ষী নং- ২ৰ আৰু সাক্ষী নং-৩ ৰ বক্তব্য সম্পূৰ্ণৰূপে বিশ্বাসযোগ্য নহয় বুলি ক’ব নোৱাৰি আৰু উক্ত বক্তব্যসমূহৰ ওপৰত ভিত্তি কৰি পোৱা তথ্যসমূহৰ কোনো ধৰণে হস্তক্ষেপৰ কৰাৰ প্ৰয়োজন নাই।

১২) আমি পক্ষসমূহৰ হৈ বিদ্বান অধিবক্তাৰ যুক্তি শুনিছো আৰু নথিত থকা সাক্ষ্যসমূহ পৰীক্ষা কৰিছো।

১৩) এই গোচৰত বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে সাক্ষ্য বিবেচনাত একমত পোষণ কৰিছে আৰু তথ্যৰ সমৱৰ্তী ফলাফলত উপনীত হৈছে; আৰু সাধাৰণতে, তথ্যৰ সমৱৰ্তী ফলাফলৰ বিৰুদ্ধে বিশেষ অনুমতিৰ দ্বাৰা কৰা আবেদনত, উচ্চতম ন্যায়ালয়ে সাক্ষ্য পুনৰ বিশ্লেষণ কৰিব নিবিচাৰে- অৱশ্যে, যদি বিচাৰ

আদালত আৰু উচ্চ ন্যায়ালয়ত আইন বা পদ্ধতিৰ কোনো ভুল বা প্ৰমাণৰ ভুলকৈ বিবেচনা বা ন্যায়িক প্ৰক্ৰিয়াৰ নীতি-নিয়মৰ কোনো অৱজ্ঞাৰ ফলত গুৰুতৰ পক্ষপাতিত্ব বা অন্যায়ৰ সৃষ্টি হয়, উচ্চতম ন্যায়ালয়ে ন্যায় প্ৰদানত কৰা ক্ৰুটি ৰোধ কৰিবলৈ নিৰ্দ্দিষ্ট কোনা গোচৰত হস্তক্ষেপ কৰাৰ কথা বিবেচনা কৰিব পাৰে।

১৪) বৰ্তমানৰ বিষয়টো সম্পূৰ্ণৰূপে পৰীক্ষা কৰাৰ পিছত আমি ইয়াত হস্তক্ষেপ কৰাৰ কথা বিবেচনা কৰিবলৈ বাধ্য হৈছো কাৰণ বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ে বিবেচনা কৰা তথ্যসমূহ আপাত দৃষ্টিত সম্পূৰ্ণ ভুল পদ্ধতিৰে কৰা হৈছে যাৰ ফলত ন্যায় প্ৰদানত অন্যায় কৰা হৈছে।

৫) লক্ষ্য কৰা মতে, এই গোচৰৰ তথ্যসমূহ মূলতঃ সাক্ষী নং-২ৰ আৰু সাক্ষী নং-৩ ৰ সাক্ষ্যৰ ওপৰত ভিত্তি কৰি কৰা হৈছে, যিসকলক এই ঘটনাৰ প্ৰত্যক্ষদৰ্শী বুলি কোৱা হয়। গুচৰীয়া পক্ষৰ গোচৰৰ সমৰ্থনত আন কোনো নিৰপেক্ষ সাক্ষীয়ে সাক্ষ্য দিয়া নাই। উচ্চ ন্যায়ালয়ে এই কথাটো লক্ষ্য কৰিছিল যে আৰক্ষীৰ আগত দিয়া বিবৃতিত সাক্ষী নং-২য়ে উল্লেখ কৰিছিল যে এই ঘটনাৰ পিছত তেওঁৰ পত্নী সাক্ষী নং-৩ৰ সৈতে ঘৰলৈ গৈ খাদ্য গ্ৰহণ কৰি শুই পৰিছিল। উচ্চ ন্যায়ালয়ে সঠিকভাৱে লক্ষ্য কৰিছিল যে স্বাভাৱিকতে এনে আচৰণ অযুক্তিকৰ আৰু অগ্ৰাহ্য হয়, বিশেষকৈ যেতিয়া এই সাক্ষীসকলৰ পুত্ৰক দুজন ব্যক্তিয়ে আক্ৰমণ কৰিছিল। কিন্তু উচ্চ ন্যায়ালয়ে নথিত থকা তথ্যত লক্ষ্য কৰিছিল যে মৃতক আন লোকৰ সৈতে কেইবাখনো কাজিয়াত লিপ্ত হৈছিল আৰু সেয়া পিতৃ-মাতৃয়ে জানিছিল । উচ্চ ন্যায়ালয়ৰ মতে, মৃতকৰ এনে পটভূমিয়ে সাক্ষী নং-২ৰ আৰু সাক্ষী নং-৩ য়ে কিয় ঘটনাস্থলীৰ পৰা প্ৰস্থান কৰি ঘৰলৈ গৈ শুই পৰিছিল তাৰ ব্যাখ্যা আগবঢ়াব। আমি উচ্চ ন্যায়ালয়ৰ এই বিবেচনা মানি ল'ব পৰা নাই।

১৬) সাক্ষী নং-২ৰ আৰু সাক্ষী নং-৩ ৰ দাবী অনুসৰি তেওঁলোকে তেওঁলোকৰ পুত্ৰক দুজন ব্যক্তিয়ে অস্ত্ৰৰে আক্ৰমণ কৰা দেখিছিল। পুত্ৰৰ মৃতদেহৰ পৰা তেজ ওলাই থকা দেখি সাক্ষী নং-২ অচেতন হৈ পৰিছিল। সেই পৰিস্থিতিত এই সাক্ষীসকলে আহত পুত্ৰৰ কথা চিন্তা নকৰাকৈ ঘৰলৈ গৈ খাদ্য গ্ৰহণ কৰি শুই পৰিহ, সেই কথা মানি লোৱাটো কঠিন। এই দিশটোৰ লগত এইটোও সংযুক্ত হৈ আছে যে তেওঁলোকে সাক্ষী - ১ক ভাতৃৰ মৃতদেহ দেখাৰ পিছত ঘৰ পোৱাৰ পিছতহে এই ঘটনাৰ বিষয়ে বৰ্ণনা কৰিছিল । তাৰ পিছত পিছদিনা পুৱা ১০ বজাত এজাহাৰ দাখিল কৰা হয়।

১৭) সকলো পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি আমাৰ দৃষ্টিত সাক্ষী নং-২ৰ আৰু সাক্ষী নং-৩ ৰ সাক্ষ্যক কোনো দৃষ্টিকোণৰ পৰাই এই ঘটনাৰ প্ৰত্যক্ষদৰ্শীৰ সাক্ষ্য হিচাপে গ্ৰহণ কৰিব নোৱাৰি। তদুপৰি গুচৰীয়া পক্ষই স্বতন্ত্ৰ সাক্ষী হিচাপে সাক্ষ্য গ্ৰহণ কৰা সাক্ষী নং-৪ বীৰেন পাত্ৰ, সাক্ষী নং-৫ জয়নাৰায়ণ কালেৱাৰ, সাক্ষী নং -৮ দিলীপ খেইৰা আৰু সাক্ষী নং -৯ সুদামা বাৰীয়ে গুচৰীয়া পক্ষৰ গোচৰটোক একেবাৰেই সমৰ্থন কৰা নাছিল।

১৮) ওপৰত উল্লেখ কৰা পৰিস্থিতিৰ বাবে এজাহাৰত নাম উল্লেখ থাকিলেও আপীলকাৰীসকলক এই গোচৰত দোষী সাব্যস্ত কৰিব নোৱাৰি।

১৯) এইটো আশা কৰাটো ভুল যে এনে এটা অপৰাধমূলক গোচৰত গুচৰীয়া পক্ষই নিজৰ গোচৰটো প্ৰমাণ কৰিব আৰু যুক্তিসংগত সন্দেহৰ উৰ্ধত অভিযোগটোক প্ৰমাণ কৰিব। যুক্তিসংগত সন্দেহ কেৱল সম্ভাব্য সন্দেহ নহয় বৰঞ্চ যুক্তি আৰু সাধাৰণ জ্ঞানৰ ওপৰত ভিত্তি কৰি কৰা এক যুক্তিযুক্ত সন্দেহ। এই সন্দেহ গোচৰৰ সাক্ষ্যৰ পৰা উদ্ভাৱন হব লাগিব। যেতিয়া কোনো বিষয়ত যুক্তিসংগত সন্দেহৰ সৃষ্টি হয় তেতিয়া অভিযুক্তক সন্দেহৰ পৰা পাব পৰা সুবিধা প্ৰদান কৰিব লাগিব। এই গোচৰৰ বিষয়টোত যুক্তিসংগতভাৱে উদ্ভৱ

হোৱা সন্দেহসমূহ উচ্চ ন্যায়ালয়ে যি যুক্তিৰ বাবে আতৰাই ৰাখিছিল সেয়া গ্ৰহণযোগ্য নহয়। বিচাৰ আদালতে সাক্ষী নং-২ৰ আৰু সাক্ষী নং-৩ৰ সাক্ষ্য গ্ৰহণ কৰাৰ ক্ষেত্ৰত এইটো ধাৰণা কৰিছিল যে তেওঁলোকে প্ৰকৃত অপৰাধীৰ বাহিৰে আন কাকো জড়িত কৰাৰ কোনো কাৰণ নাছিল, কিন্তু এই ধাৰণাবোৰ তথ্য আৰু পৰিস্থিতিৰ লগত মিল দেখা নাযায়।

২০) এইটো সঁচা যে মৃতকক নিৰ্মমভাৱে আক্ৰমণ কৰা হৈছিল আৰু দেহৰ গুৰুত্বপূৰ্ণ অংশত কেৰাটাও আঘাত পাইছিল যদিও গুচৰীয়া পক্ষই উত্থাপন কৰা প্ৰমাণৰ ওপৰত এই সিদ্ধান্ত যুক্তিসংগত সন্দেহৰ উৰ্ধত লোৱাটো কঠিন যে কেৱল আপীলকাৰীসকলেই সেই আঘাতৰ বাবে দায়ী। ওপৰৰ কথাখিনিৰ প্ৰতি লক্ষ্য ৰাখি আমি বিচাৰ আদালত আৰু উচ্চ ন্যায়ালয়ৰ সমান্তৰাল তথ্যত হস্তক্ষেপৰ কৰাৰ বাবে এইটো উপযুক্ত গোচৰ বুলি বিবেচনা কৰোঁ।

২১) সেই অনুসৰি আৰু ওপৰৰ আলোচনাৰ প্ৰতি লক্ষ্য ৰাখি এই আপীল সফল হয় আৰু ইয়াক মঞ্জুৰ কৰা হয়।

২২) গৌহাটী উচ্চ ন্যায়ালয়ে ফৌজদাৰী আপীল নং ৭৯/২০০৬ ত ১৭.০৯.২০০৯ তাৰিখে প্ৰদান কৰা বিবাদিত ৰায় আৰু আৰু আদেশ লগতে অসমৰ কাচাৰ জিলাৰ শিলচৰস্থিত সত্ৰ ন্যায়ালয়ে গোচৰ নং ৩৭/২০০৩ ত দিয়া ১৬.০২.২০০৬ তাৰিখৰ ৰায় খাৰিজ কৰা হয়, আৰু আপীলকাৰীসকলক দোষমুক্ত কৰা হয়। যদি আপীলকাৰীসকল জিম্মাত আছে তেন্তে তেওঁলোকক তৎক্ষণাত মুকলি কৰি দিয়া হওক।

আপীল মঞ্জুৰ কৰা হ'ল ।

অনুবাদকাৰী- সুচেনজিৎ বায়ন, জেষ্ঠ অনুবাদক

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

(“স্থানীয় ভাষালৈ অনুদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাবে অন্য ক্ষেত্ৰত অনুদিত ৰূপ ব্যৱহৃত নহ’ব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৱেই সঠিক বিবেচিত হ’ব।”)